tal No. of Printed Pages—3

13

**1 SEM TDC ASM MIL (A) 1**

**2016**

**( November )**

# ASSAMESE

## ( Modern Indian Language )

**( Arts )**

Course : 101

**( অসমীয়া সাহিত্যৰ বুৰঞ্জী আৰু সংস্কৃতি অধ্যয়ন )**

*Full Marks* : 80

*Pass Marks* : 32 (Backlog) / 24 (2014 onwards)

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। চমু উত্তৰ দিয়াঁ : ১×৮=৮

(ক) অসমীয়া সাহিত্যৰ যুগ-বিভাজন প্ৰথমে কোনে কৰিছিল?

(খ) 'শ্ৰীকৃষ্ণকীৰ্ত্তন' কাৰ ৰচনা?

(গ) 'চৰ্যাপদ'ৰ এজন কামৰূপী ৰচয়িতাৰ নাম লিখাঁ।

(ঘ) শঙ্কৰদেৱে ৰচনা কৰা 'ৰাজ ভটিমা'ত কাৰ গুণানুকীৰ্ত্তন কৰা হৈছিল?

(ঙ) কোনগৰাকী বৈষ্ণৱ কবিক 'অসমীয়া ব্যাস' আখ্যা দিয়া হৈছে?

(চ) 'অসমীয়া ছাত্ৰৰ সাহিত্য চ'ৰা' কেতিয়া স্থাপন হৈছিল?

(ছ) 'খেৰাই উৎসৱ' কোন জনগোষ্ঠীয়ে পালন কৰে?

(জ) 'অসমৰ সংস্কৃতি' গ্ৰন্থৰ লেখক কোন?

২। (ক) অসমীয়া সাহিত্যৰ যুগ-বিভাজন কোনে কোনে কৰিছিল? কোনজনৰ যুগ-বিভাজন তুমি যুক্তিসঙ্গত বুলি ভাবা, আলোচনা কৰা। ৪+১০=

অথবা

(খ) অসমীয়া সাহিত্যৰ বুৰঞ্জী প্ৰণয়নৰ ক্ষেত্ৰত উদ্ভৱ হ'ব পৰা সমস্যাসমূহৰ বিষয়ে এটি আলোচনা আগবঢ়োৱা।

৩। (ক) বৰগীত কাক বোলে? শংকৰদেৱৰ বৰগীতৰ বৈশিষ্ট্যসমূহ আলোচনা কৰা। ৪+১০=

অথবা

(খ) মাধৱদেৱৰ নাট্য-প্ৰতিভাৰ পৰিচয়সূচক এটি প্ৰবন্ধ যুগুত কৰা।

৪। (ক) জোনাকী যুগৰ সাহিত্যৰ প্ৰধান বৈশিষ্ট্যসমূহৰ বিষয়ে এটি আলোচনা আগবঢ়োৱা।

অথবা

(খ) জোনাকী যুগৰ যি কোনো এজন কবিৰ কাব্য-প্ৰতিভা সম্পৰ্কে এটি প্ৰবন্ধ যুগুত কৰা।





৫। (ক) অসমীয়া জাতি গঠনত মঙ্গোলীয় প্ৰজাতিৰ উপাদানসমূহে কিদৰে সহায় কৰিছে তাৰ এটি আলোচনা আগবঢ়োৱা। ১০

অথবা

(খ) 'অসমীয়া জাতি গঠনত প্ৰজাতিয় উপাদান'—এই শীৰ্ষক এটি চমু নিবন্ধ যুগুত কৰা।

৬। (ক) সংস্কৃতিৰ সংজ্ঞা দাঙি ধৰি অসমীয়া সংস্কৃতিৰ স্বৰূপ সম্পৰ্কে এটি প্ৰবন্ধ যুগুত কৰা। ৩+৭=১০

অথবা

(খ) কৃষিভিত্তিক লোক-উৎসৱ বুলিলে কি বুজা? মিচিংসকলৰ যি কোনো এটা কৃষিভিত্তিক উৎসৱৰ বিষয়ে লিখা। ২+৮=১০

৭। চমু টোকা লিখা (যি কোনো তিনিটা) : ৪×৩=১২

(ক) লখিমী সবাহ

(খ) হাচাকেকান্

(গ) অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত

(ঘ) অষ্ট্রিক সংস্কৃতি

★★★